**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-11-2025 **Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

অহা ৩ ডিচেম্বৰত আৰক্ষী কনিষ্টবলৰ পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থীসকলক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ফেচ বুক লাইভ যোগে কিছু সময়পূৰ্বে এই কথা ঘোষণা কৰিছে। গুৱাহাটীত আয়োজিত এটা অনুষ্ঠানত এই নিযুক্তি পত্ৰসমূহ প্ৰদান কৰা হ'ব। ড০ শৰ্মাই লগতে কয়, যে মেট্ৰিকৰ পৰীক্ষাৰ্থীসকলৰ সুবিধাৰ্থে প্ৰতিমাহে তেওঁলোকক ৩০০ টকাকৈ প্ৰদানৰ প্ৰক্ৰিয়া ২৮ নৱেম্বৰত আৰম্ভ হ'ব। তদুপৰি, ১২ ডিচেম্বৰৰ পৰা বি টি আৰৰ লোকসকলে অৰুণোদয় আঁচনিৰ সুবিধা লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

oooooooo

৬টা জনগোষ্ঠীৰ জনজাতিকৰণৰ সন্দৰ্ভত ভৈয়াম জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ অধ্যক্ষতাত গঠিত সমিতিয়ে প্ৰস্তুত কৰা প্ৰতিবেদন আজি ৰাজ্যিক মন্ত্ৰী সভাই গ্ৰহণ কৰে। দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰী সভাৰ বৈঠকৰ পাছত এখন সংবাদ মেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। তেওঁ এই প্ৰতিবেদনখনে ৬টা জনগোষ্ঠীৰ আশা-আকাংক্ষাক প্ৰতিনিধিত্ব কৰিব বুলি আশা প্ৰকাশ কৰে।

oooooooo

অসম বিধানসভাৰ শীতকালীন অধিৱেশনৰ আজি দ্বিতীয় দিনা ১৫ খন ন-পুৰণি বিধেয়ক সদনত উত্থাপন হয়। ইয়াৰ ভিতৰত ৩ খন নতুন আৰু ১২ খন সংশোধনী বিধেয়ক আছে। সদনত উত্থাপন হোৱা নতুন বিধেয়ক অনুসৰি ৰাজ্যত নেৰিম আৰু আজিম প্ৰেমজী বিশ্ববিদ্যালয়ৰ নামেৰে দুখন নতুন বিশ্ববিদ্যালয় হ'ব। আজি সদনত অপ্ৰাদেশিকীকৃত শিক্ষক-কৰ্মচাৰীৰ পদ প্ৰাদেশিকীকৰণ সংশোধনী বিধেয়ক উত্থাপন কৰা হয়। অপ্ৰাদেশিকীকৃত শিক্ষক-কৰ্মচাৰীৰ প্ৰাদেশিকীকৰণৰ বাবে পূৰ্বতে আইনত থকা চৰ্তসমূহৰ অধিকাংশ চৰ্ত শিথিলকৰণৰ বাবে আজি সদনত উত্থাপন হোৱা এই ২০২৫ৰ নিৰ্দিষ্ট সংশোধনী বিধেয়কখনৰ জৰিয়তে শিক্ষা বিভাগে প্ৰস্তাৱ দিছে। এই সংশোধনী বিধেয়ক গৃহীত হ'লে অপ্ৰাদেশিকীকৃত শিক্ষানুষ্ঠানত বছৰৰ পাছত বছৰজুৰি বিনা বেতনে সেৱা আগবঢ়াই অহা শিক্ষক-কৰ্মচাৰীৰ পদসমূহ শীঘ্ৰেই প্ৰাদেশিকীকৰণ হ'ব। এই বিধেয়কখনৰ উপৰি শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে বেচৰকাৰী শিক্ষা প্ৰতিষ্ঠানৰ মাচুল নিয়ন্ত্ৰণ সংশোধনী বিধেয়ক, মিচিং স্বায়ত্তশাসিত পৰিষদ সংশোধনী বিধেয়ক, ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদ সংশোধনী বিধেয়ক, তিৱা স্বায়ত্তশাসিত পৰিষদ সংশোধনী বিধেয়ক, দেউৰী স্বায়ত্তশাসিত পৰিষদ সংশোধনী বিধেয়ক, সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদ সংশোধনী বিধেয়ক, বড়ো কছাৰী কল্যাণ স্বায়ত্তশাসিত পৰিষদ সংশোধনী বিধেয়ক সদনত উত্থাপন কৰে। শিক্ষামন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত এইদৰে কয়-

**বাইট (ডা০ ৰণোজ পেগু)**

০০০০০০০০

দেশৰ অন্যান্য প্ৰান্তৰ লগতে আজি অসমতো সংবিধান দিৱস উদযাপন কৰা হয়।

মৰিগাওঁ জিলা প্ৰশাসনৰ উদ্যোগত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এই উপলক্ষে আয়োজিত অনুষ্ঠানত সংবিধানৰ প্ৰস্তাৱনা পাঠ কৰাৰ লগতে নাগৰিকৰ প্ৰতি ন্যায় আৰু নিষ্ঠাৰে দায়িত্ব পালনৰ সংকল্প লোৱা হয়। জিলা আয়ুক্ত অনামিকা তিৱাৰীয়ে এই দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰি প্ৰত্যেকেই সংবিধানৰ নীতি আদৰ্শ মানি চলাটো উচিত বুলি উল্লেখ কৰে।

কাৰ্বি আংলং জিলাৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত আয়োজিত সংবিধান দিৱসৰ কাৰ্যসূচীত গণতান্ত্ৰিক মূল্যবোধক গুৰুত্ব আৰু উন্নত ৰাষ্ট্ৰ গঠনত নাগৰিকৰ ভূমিকাৰ সন্দৰ্ভত আলোকপাত কৰা হয়। একেদৰে,নগাওঁ জিলাৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ত এই দিৱসৰ সৈতে সংগতি ৰাখি ফটোগ্ৰাফী আৰু বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। হোজাইৰ আজমল আইন মহাবিদ্যালয়ত সংবিধান দিৱসৰ অনুষ্ঠানত গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ মাধ্যমক লৈ গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হয়। অনুষ্ঠানত পাটনা উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ ইকবাল আহমেদ আনচাৰী আৰু সাংবাদিকসহ ভালে কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ইপিনে, সংবিধান দিৱসৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ সংবিধান সদনত সংবিধানৰ অসমীয়া, বড়ো, মালায়ালম, মাৰাঠী, নেপালী, পাঞ্জাবী, কাশ্মিৰী, তেলেগু আৰু ওড়িয়া ভাষালৈ অনুদিত সংস্কৰণ উন্মোচন কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক কৃতজ্ঞতা প্ৰকাশ কৰি সংবিধান দিৱসত বি টি আৰ তথা অসমবাসীৰ বাবে এই উপযুক্ত উপহাৰ বুলি উল্লেখ কৰে।

০০০০০০০০

ৰাজ্যজুৰি বিস্তৃত কাৰ্যসূচীৰে অহা ১০ ডিচেম্বৰত ছহিদ দিৱস পালন কৰা হ'ব। ইয়াৰ বাবে ৰাজ্য চৰকাৰে প্ৰস্তুতি চলাই আছে। সেইদিনাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মাণ কৰা ছহিদ স্মাৰক ক্ষেত্ৰ উদ্বোধন কৰিব। ঐতিহাসিক অসম আন্দোলনৰ ছহিদসকলৰ প্ৰতি সন্মান জনাই তেওঁলোকৰ স্মৃতি সংৰক্ষণৰ লক্ষ্যৰে এই ছহিদ স্মাৰক ক্ষেত্ৰ নিৰ্মাণ কৰা হৈছে। এই ক্ষেত্ৰত প্ৰেক্ষাগৃহ, প্ৰাৰ্থনা গৃহ, চাইকেল ট্ৰেক, আদিৰ উপৰি অসম আন্দোলন তথা ৰাজ্যখনৰ বুৰঞ্জীৰ বিভিন্ন ঘটনা প্ৰবাহক সামৰি শব্দ আৰু পোহৰৰ বিশেষ প্ৰদৰ্শনীৰো ব্যৱস্থা থাকিব।

জিলা আৰু সম জিলা মুখ্য কাৰ্যালয়সমূহত সকলো স্তৰৰ ৰাইজৰ সক্ৰিয় অংশগ্ৰহণেৰে ছহিদ দিৱস পালনৰ প্ৰস্তুতিৰ পৰ্যালোচনাৰ বাবে আজি মন্ত্ৰী অতুল বৰা, চন্দ্ৰমোহন পাটোৱাৰী, কেশৱ মহন্ত, পীযুষ হাজৰিকা, জয়ন্তমল্ল বৰুৱা আৰু বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকলৰ এখন বৈঠক অনুষ্ঠিত হয়। মন্ত্ৰী কেইগৰাকীয়ে লগতে ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি কাম-কাজৰ অগ্ৰগতিৰো বুজ লয়।

০০০০০০০০

সমাপ্ত